প্ৰেছ বিজ্ঞপ্তি

১৫ নৱেম্বৰ, ২০১৬

# নিৰ্দিষ্ট বেংকনোটৰ বৈধমুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰঃ আৰ বি আইয়ে সমবায় বেংকসমূহক নিৰ্দেশনাবোৰ কটকটীয়াকৈ মানি চলাটো নিশ্চিত কৰিবলৈ আহ্বান জনাইছে

বৰ্তমানৰ ৫০০ আৰু ১০০০ টকীয়া বেংক নোট (নিৰ্দিষ্ট বেংক নোটৰ) বৈধ মুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ সম্পৰ্কত জাৰি কৰা নিৰ্দেশনাবোৰ একাংশ সমবায় বেংকে কটকটীয়াকৈ অনুসৰণ কৰা নাই বুলি জনা হৈছে। ৰিজাৰ্ভ বেংকে আজি জনায় যে নিৰ্দিষ্ট বেংক নোটবোৰৰ বিনিময় আৰু গ্ৰাহকৰ নিজ নিজ একাউন্টত তেনে নোট জমা কৰা সন্দৰ্ভত জাৰি কৰা নিৰ্দেশসমূহ মানি চলাটো নিশ্চিত কৰিবৰ কাৰণে চহৰীয়া সমবায় বেংকবোৰক ইয়াৰ আঞ্চলিক কাৰ্যালয়ৰ যোগেদি আৰু ৰাজ্যিক সমবায় বেংকসমূহক কৃষি আৰু গ্ৰামোন্নয়ন বেংক (নাবাৰ্ড)ৰ যোগেদি নিৰ্দেশনা দিয়া হৈছে।

**আল্পনা কিল্লাৱালা**
প্ৰধান উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি- ২০১৬-১৭/১২১৫**